অসম

কাজিৰঙাত দুর্ঘটনাগ্রস্ত ট্রেভেলাৰখনৰ বিৰুদ্ধে পূর্বৰ একাধিক জৰিমনা

ৰঙাজানৰ শোকাৱহ দুর্ঘটনাৰ পাছত ট্রেভেলাৰখনৰ অত্যধিক গতিবেগকে ধৰি একাধিক ট্রেফিক নিয়ম উলংঘাৰ তথ্য পোহৰলৈ আহিছে।

প্রকাশ: ১৩ নৱেম্বৰ ২০২৬, নিশা ৭:২১



কাজিৰঙা: ৰঙাজানত সংঘটিত শোকাৱহ পথ দুর্ঘটনাৰ পাছত দুর্ঘটনাগ্রস্ত ট্রেভেলাৰখনৰ বিৰুদ্ধে পূর্বৰ একাধিক ট্রেফিক নিয়ম উলংঘাৰ তথ্য পোহৰলৈ আহিছে। অত্যধিক গতিত বাহন চলোৱাৰ অভিযোগত পূর্বেও কেইবাবাৰো বাহনখনক জৰিমনা কৰা হৈছিল।

প্রাপ্ত তথ্য অনুসৰি, যোৱা ৩ মার্চত যোৰহাটত ট্রেভেলাৰখনক ৪ হাজাৰ টকাৰ জৰিমনা কৰা হৈছিল। বর্তমানেও বাহনখনৰ নামত ৪ হাজাৰ টকাৰ জৰিমনা অনাদায় হৈ আছে।

ইয়াৰ পূর্বে ২০২৫ চনৰ ২২ আগষ্টত কাজিৰঙাত অত্যধিক গতিত বাহন চলোৱাৰ বাবে ট্রেভেলাৰখনক ৪ হাজাৰ টকাৰ জৰিমনা কৰা হৈছিল। একে বছৰৰ ছেপ্টেম্বৰ মাহতো গতিবেগজনিত নিয়ম উলংঘাৰ বাবে বাহনখন পুনৰ জৰিমনাৰ সন্মুখীন হৈছিল।

কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ মাজেৰে নির্ধাৰিত গতিসীমা উলংঘা কৰি ঘণ্টাত ৬২ কিলোমিটাৰ বেগত বাহন চলোৱাৰ বাবেও ট্রেভেলাৰখনক পূর্বে জৰিমনা কৰা হৈছিল।

© 2026 NewzNow

ৰঙাজানৰ দুৰ্ঘটনাৰ পাছত বাহনখনৰ পূৰ্বৰ নিয়ম উলংঘাৰ এই তথ্যক লৈ নতুনকৈ চৰ্চা আৰম্ভ হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2809/kaziranga-rangajan-traveller-traffic-fines